অধ্যায় ৩ ঃ সামাজিক চুক্তি তত্ত্ব—লক

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ মানৱ প্ৰকৃতি সম্পৰ্কে লকৰ দৃষ্টিভংগী

৩.৪ সামাজিক চুক্তি সম্পৰ্কে লকৰ ধাৰণা

৩.৫ সমালোচনা

৩.৬ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

৩.৭ অধিক জানিবলৈ

৩.৮ অগ্ৰগতিৰ খতিয়ান

৩.৯ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- এখন প্ৰাক্— ৰাজনৈতিক ৰাষ্ট্ৰত মানৱ প্ৰকৃতি কেনেধৱণৰ আছিল সেই সম্পৰ্কে লকৰ দৃষ্টিভংগী জানিব পাৰিব
- সমাজৰ উৎপত্তি সম্পৰ্কে হবচ্ আৰু লকৰ দৃষ্টিভংগীৰ মাজত থকা পাৰ্থক্য বুজি পাব।
- লকৰ সামাজিক চুক্তি তত্ত্বটোৰ বিষয়ে জানিব পাৰিব
- প্ৰকৃতি ৰাজ্যৰ কিছুমান অসুবিধা সম্পৰ্কে অৱগত হ'ব

৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আমি প্ৰকৃতি ৰাজ্য (the state of nature), মানুহ কেনেদৰে সমাজ পাতি বাস কৰিবলৈ ল'লে আৰু হবচ্ৰ মতে সামাজিক চুক্তি মানে কি সেয়া আলোচনা কৰিলো। অধ্যায়টিত ব্যক্তি আৰু সমাজৰ মাজত থকা সম্পৰ্কৰ বিষয়েও আলোচনা কৰা হৈছে। এই অধ্যায়টিত আমি আন এগৰাকী চিন্তাবিদ লকৰ মানৱ প্ৰকৃতি (human nature) আৰু সামাজিক চুক্তি (Social Contract) বিষয়ক দৃষ্টিভংগীবোৰ আলোচনা কৰিম। হবচ্ৰ চিন্তাৰ বিপৰীতে গৈ লবচে এই মত দাঙি ধৰিছে যে মানুহ এক মুক্ত ৰাজ্যৰ বাসিন্দা। মানুহে প্ৰকৃতি ৰাজ্যত শক্তিপূৰ্ণভাৱে আৰু যুক্তিসংগতভাৱে বসবাস কৰে। প্ৰকৃতি ৰাজ্যত কোনো খাম-খেয়ালি নাই। একেদৰে, হবচ্ৰ চিন্তাৰ বিপৰীতে লকে এই মত পোষণ কৰে যে যুদ্ধ-বিগ্ৰহৰ বাবে মানুহে সমাজ পাতি বসবাস কৰিবলৈ লোৱা নাই। প্ৰকৃতি ৰাজ্যত থকা কিছুমান অসুবিধাইহে মানুহক

এক সামাজিক চুক্তি সম্পাদন কৰিবলৈ বাধ্য কৰাইছে। এই অধ্যায়টিত লকৰ দৃষ্টিভংগীবোৰ আলোচনা কৰা হ'ব।

৩.৩ মানৱ প্ৰকৃতি সম্পৰ্কে লকৰ দৃষ্টিভংগী

ইয়াৰ আগৰ অধ্যায়ত মানৱ প্ৰকৃতি সম্পৰ্কে হব্‌চে কি ভাবিছিল সেয়া আলোচনা কৰা হৈছে। আলোচনাৰ পৰা সমাজ গঠন হোৱাৰ পূৰ্বে প্ৰকৃতি ৰাজ্য কেনে আছিল সেই বিষয়ে আমি কিছু ধাৰণা কৰিব পাৰিছো। আন এগৰাকী চিন্তাবিদ লকেও প্ৰাক্-ৰাজনৈতিক ৰাষ্ট্ৰত মানুহৰ প্ৰকৃতি কেনে আছিল সেই সম্পৰ্কে নিজৰ দৃষ্টিভংগী প্ৰকাশ কৰিছে। কিন্তু তেওঁৰ দৃষ্টিভংগীবোৰ হবচ্‌তকৈ কিছু পৃথক। লকৰ মতে সমাজৰ অস্তিত্ব গঢ় লৈ উঠাৰ আগতে মানুহ মুক্ত আছিল। মানুহৰ ওপৰত কোনো দমনমূলক নিষেধাজ্ঞা আৰোপিত কৰি থোৱা নাছিল। এই অৱস্থাত মানুহে প্ৰাকৃতিক আইন অনুসৰণ কৰিছিল আৰু শান্তিপূৰ্ণভাৱে বসবাস কৰিছিল। এই অৱস্থাটো আছিল শান্তি, যুক্তি আৰু সদিচ্ছাৰে ভৰা। লকৰ মতে সমাজৰ অস্তিত্ব সৃষ্টি হোৱাৰ আগতে মানুহৰ মাজত কোনো চৰকাৰ নাছিল। হবচ্‌ৰ মতৰ বিপৰীতে লকে এই অৱস্থাটোক প্ৰাক্-সামাজিক বুলি নকৈ প্ৰাক্-ৰাজনৈতিক বুলি অভিহিত কৰিছে। এই অৱস্থাত মানুহে কেৱল প্ৰকৃতিৰ আইন অনুসৰণ কৰিছিল। লকৰ মত অনুসৰি প্ৰকৃতিৰ আইন মানে হ'ল ঈশ্বৰে সৃষ্টি কৰা আইন। এই আইনে মানৱ মনৰ সকলোবোৰ দিশৰ যত্ন লৈছিল। এয়া আছিল মানুহৰ পূৰ্ণ স্বাধীনতা থকা সময়। মানুহে নিজ ইচ্ছা অনুসৰি আচৰণ আৰু কাম কৰিব পাৰিছিল। এনে অৱস্থাত এগৰাকী ব্যক্তিয়ে কোনো প্ৰকাৰে আন এগৰাকীৰ ইচ্ছাক নিৰ্ভৰ নকৰিছিল। এয়া কোনো যুদ্ধাৱস্থা নাছিল। এয়া আছিল পূৰ্ণ আনন্দ, সমতা আৰু স্বাধীনতাৰ অৱস্থা। প্ৰতিগৰাকী ব্যক্তিয়েই সমান অধিকাৰ উপভোগ কৰিব পাৰিছিল। তেতিয়াহ'লে মানুহক সমাজ গঠন কৰাৰ বাবে এক সামাজিক চুক্তিত বান্ধ খাবলৈ কিহে অনুপ্ৰাণিত কৰিছিল? ইয়াৰ উত্তৰত লকে কৈছে যে প্ৰকৃতিৰ এনে অৱস্থাটো অসুবিধামুক্ত নাছিল। প্ৰকৃতি ৰাজ্যৰ দুৰ্বলতাবোৰ যিখন তালিকা লকে প্ৰস্তুত কৰিছে সেইখন হবচ্‌ৰ তালিকাতকৈ পৃথক। হব্‌চে ভবাৰ দৰে লকে ভবা নাছিল যে প্ৰকৃতি ৰাজ্যখন এখন যুদ্ধসৰ্বস্ব ৰাজ্য আছিল আৰু খাম-খেয়ালিপূৰ্ণ পৰিৱেশৰ পৰা ৰক্ষা পৰিবলৈ মানুহে সামাজিক চুক্তিত বান্ধ খাইছিল। লকৰ মতে প্ৰকৃতি ৰাজ্যত মানুহ এনে কিছুমান অসুবিধাৰ সন্মুখীন হৈছিল যিবোৰে মানুহক এসময়ত সমাজ গঠন কৰিবলৈ বাধ্য কৰাইছিল। মানুহ সংখ্যা বাঢ়ি যোৱাৰ লগে লগে সম্পদ বিতৰণৰ ক্ষেত্ৰত অসমতাৰ সৃষ্টি হৈছিল। সেই সময়ত কোনো ভাৰসাযোগ্য আৰু সুনিৰ্দিষ্ট ব্যৱস্থা নথকাৰ ফলত বিভিন্ন বিবাদ নিষ্পত্তি কৰাত সমস্যা হৈছিল। এনেধৰণৰ আন কেইবাটাও অসুবিধাৰ বাবে মানুহে ভাবিবলৈ বাধ্য হৈছিল যে প্ৰকৃতি ৰাজ্যত মানুহৰ সকলো অধিকাৰ সকলো সময়তে ৰক্ষা নপৰে। অধিকাংশ মানুহেই অইনৰ অধিকাৰক সন্মান নকৰে। মানুহে নিজা ধৰণে প্ৰকৃতিৰ নিয়মৰ ব্যাখ্যা আগবঢ়াইছিল। একেটা কথাৰে ব্যক্তিভেদে ভিন ভিন ব্যাখ্যা আছিল বাবে নানা ধৰণৰ সংঘাতৰ সৃষ্টি হ'বলৈ ধৰিছিল। এই ৰাজ্যত উপযুক্ত সংগঠনৰ অভাৱ আছিল বাবে

মানুহ অচিনাকী বহিৰাগতৰ আক্ৰমণৰ বলি হোৱাৰ সম্ভাৱনা আছিল। আইন উলংঘাকাৰীক কঠোৰ শাস্তি বিহিবলৈ মানুহক বিচাৰকৰো প্ৰয়োজন হৈছিল। এনে নানা কাৰণত মানুহে গোট খাই এখন চুক্তি সম্পাদন কৰিছিল। ইয়াৰ অধীনত তেওঁলোকে পৰস্পৰৰ অধিকাৰক সুৰক্ষা দিবলৈ ঐক্যৱদ্ধ হৈছিল। মানুহে নিজৰ মাজতে সম্পাদিত আৰু গ্ৰহণ কৰা এইখনেই হ'ল সামাজিক চুক্তি।

৩.৪ সামাজিক চুক্তি সম্পৰ্কে লকৰ ধাৰণা

প্ৰকৃতি ৰাজ্যৰ অসুবিধাবোৰৰ পৰা মুক্ত হ'বলৈ মানুহে চুক্তি সম্পাদন কৰাৰ সিদ্ধান্তত উপনীত হ'ল। লকৰ মতে মানুহে দুই ধৰণৰ চুক্তি সম্পাদিত কৰিলে—

১। এখন ব্যক্তি সমাজ গঠন কৰিবলৈ মানুহ চুক্তিৱদ্ধ হ'ল
২। এখন চৰকাৰ অথবা এখন ৰাজনৈতিক সমাজ গঠন কৰিবলৈ মানুহ চুক্তিৱদ্ধ হ'ল।

এইখিনিতে এটা কথা মনত ৰাখি থোৱা ভাল হ'ব যে এই দুখন চুক্তিৰ মাজত প্ৰভেদ আছে। এই প্ৰভেদবোৰৰ বিষয়ে জনাটো গুৰুত্বপূৰ্ণ। কাৰণ এই চুক্তি দুখনৰ মতে সমাজৰ সদস্যসকলে কৰ্তৃত্বক অধিকাৰ আৰু পদবী প্ৰদান কৰি চৰকাৰ গঠন কৰিবলৈ দিয়ে যাতে চৰকাৰে ব্যক্তিৰ প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিব পাৰে। যদি প্ৰয়োজনীয়তাবোৰ যথোপযুক্তভাৱে উপস্থাপিত নহয়, তেন্তে ৰাষ্ট্ৰ এখনৰ নাগৰিকে সেইবোৰ উপ-পদাধিকাৰী আৰু চৰকাৰৰ প্ৰচলিত ৰূপটোৰ মাজত বিতৰণ কৰি দিয়ে। এই বিষয়ত লকৰ দৃষ্টিভংগী তলত দিয়া ধৰণে ব্যাখ্যা কৰিব পাৰিঃ

মানুহে সমাজ গঠন কৰিয়েই নিজৰ আটাইবোৰ অধিকাৰ ৰাষ্ট্ৰৰ হাতত সমৰ্পন নকৰে। এইখিনিতে পুনৰবাৰ মনত পেলোৱাটো ভাল হ'ব যে প্ৰকৃতি ৰাজ্যতথকা কিছুমান অসুবিধাৰ বাবেহে মানুহ সমাজ পাতি বাস কৰিবলৈ আগবাঢ়ি আহিছিল। কিন্তু ইয়াৰ অৰ্থ এয়া নহয় যে মানুহে প্ৰকৃতি ৰাজ্যত উপভোগ কৰি থকা সকলো অধিকাৰ ৰাষ্ট্ৰৰ হাতত অৰ্পন কৰিছিল। সমাজ গঠনৰ আঁৰৰ প্ৰধান উদ্দেশ্য আছিল আইন প্ৰস্তুত আৰু বলবৎ কৰা। ৰাজনৈতিক কৰ্তৃত্বই সকলো ব্যক্তিৰে অধিকাৰ সমানভাৱে উপস্থাপিত হৈছ আৰু ৰক্ষা পৰিছেনে নাই তালৈ দৃষ্টি ৰাখিছিল। কিন্তু ব্যক্তিয়ে নিজৰ অধিকাৰবোৰ ৰাজনৈতিক কৰ্তৃপক্ষৰ হাতত অৰ্পন কৰা নাছিল। কাৰণ, কৰ্তৃপক্ষই এই অধিকাৰবোৰৰ অপব্যৱহাৰ কৰাৰ আশংকা আছিল। অৰ্থাৎ, চৰকাৰৰ ক্ষমতা দৰাচলতে ব্যক্তিয়ে নিজৰ হাততে ৰাখিছিল। চৰকাৰৰ তেতিয়াহে ক্ষমতাৰ অধিকাৰী হ'ব পাৰিছিল যেতিয়া ই নাগৰিকৰ জীৱন, স্বাধীনতা আৰু স্থাৱৰ সম্পত্তিক সুৰক্ষা প্ৰদানৰ নিশ্চিতি দিব পাৰিছিল। সেই দিশেৰে ৰাষ্ট্ৰৰ প্ৰকৃত সাৰ্বভৌমত্ব মানুহৰ হাতত ন্যস্ত আছিল। লকে অৱশ্যে চৰম সাৰ্বভৌমত্বৰ ধাৰণাটো নাকচ কৰিছিল। তেওঁ ক্ষমতাৰ বিতৰণত বিশ্বাস কৰিছিল। কাৰণ, আইন প্ৰস্তুত কৰোঁতাসকলেই আইন বলবৎ কৰিছিল বাবে তেওঁলোকে নিজে সেই আইন নিজ মানি নচলাৰ সম্ভাৱনা আছিল। আইন প্ৰস্তুত কৰাৰ কৰ্তৃত্ব লাভ কৰোঁতাসকলে আইনবোৰ নিজৰ অনুকূলে

আৰু নিজ স্বার্থ ৰক্ষা পৰাকৈ প্রস্তুত কৰাৰ সম্ভাৱনা আছিল। এইবোৰ কথা অন্য ব্যক্তিৰ স্বার্থৰ পৰিপন্থী হোৱাৰ সম্ভাৱনা আছিল। সেয়েহে সমাজৰ সদস্যসকলে চৰকাৰৰ ক্ষমতা নিজৰ হাতত ৰাখিছিল। ৰাজনৈতিক সমাজখন গঢ়াৰ কাৰণ আছিল ব্যক্তিৰ প্রয়োজনীয়তাবোৰ পূৰ কৰাৰ স্বাধীনত াসুৰক্ষিত ৰখা। ব্যক্তিয়ে ক্ষমতা প্রয়োগ কৰিব পাৰিছিল, সমাজৰ প্রতি থকা কিছুমান কর্তব্য পালন কৰিব লাগিছিল, নিজৰ অধিকাৰসমূহ উপভোগ কৰিব পাৰিছিল, সামাজিক দায়িত্ব পালন কৰিব লাগিছিল, স্বাধীনতা উপভোগ কৰিব পাৰিছিল আৰু লগতে কিছুমান বাধা-নিষেধ মানি চলিব লাগিছিল। লকৰ মতে ৰাষ্ট্রই ব্যক্তিৰ অধিকাৰ আৰু স্বার্থ ৰক্ষাৰ দায়িত্ব পালন আৰু প্রতিগৰাকী ব্যক্তিকে সম্ভাব্য সর্বাধিক পৰিমাণৰ স্বাধীনতা উপভোগৰ সুনিশ্চিত সুবিধা প্রদান কৰিছিল। লকৰ মতে ব্যক্তিৰ প্রাকৃতিক স্বাধীনতা উলংঘাকাৰী চৰকাৰৰ বিৰুদ্ধে বিদ্রোহ কৰাৰ আৰু এনে চৰকাৰকঅমান্য কৰাৰ অধিকাৰো প্রতিগৰাকী ব্যক্তিয়ে অনুশীলন কৰিব পাৰিছিল। ব্যক্তিৰ অধিকাৰ সুৰক্ষিত ৰখাৰ কর্তব্য ৰাষ্ট্রই পালন কৰিব লাগে। যদি চৰকাৰে ব্যক্তিৰ অধিকাৰ আৰু স্বাধীনতা ৰক্ষা কৰাতব্যর্থতাৰ পৰিচয় দিয়ে তেন্তে ব্যক্তিয়ে তেনে চৰকাৰৰ বিৰুদ্ধে বল প্রয়োগ কৰি ক্ষমতা নিজৰ হাতলৈ ঘূৰাই আনিব পাৰে। ব্যক্তিয়ে চৰকাৰৰ কর্তৃত্বআৰু ক্ষমতা পুনৰ নিজৰ হাতলৈ ঘূৰাই আনিব পাৰে। চৰকাৰৰ বিৰুদ্ধে চলা এনে বিদ্রোহৰ ফলত সার্বভৌমত্বও পুনৰ নাগৰিকৰ হাতলৈ ঘূৰি যায়। ফলত নাগৰিকে পুনৰ নতুনকৈ চৰকাৰ গঠনকৰিব পৰা হয়। লকৰ মতে সৰু-সুৰা সমস্যাবোৰ চৰকাৰক ক্ষমতাচ্যুত কৰাৰ কামত ব্যৱহাৰ কৰা উচিত নহয়. এক বুজন সংখ্যক সদস্যৰ বাবে অসুবিধাৰ সৃষ্টি কৰিব পৰা সমস্যাবোৰকহে চৰকাৰক ক্ষমতাচ্যুত কৰাৰ কাৰণ হিচাপে লোৱা উচিত। অৱশ্যে লক এই বিষয়ত সজাগ যে যদি সমাজৰ সদস্যসকলে চৰকাৰৰ ক্ষমতা কাঢ়ি লয় অথবা চৰকাৰক শাসনৰ পৰা অপসাৰিত কৰে, তেন্তে সমাজত অনৈতিকতাবাদৰ সৃষ্টি হ'ব। তেওঁ সেয়েহে ৰাজনৈতিক বাধ্যবাধকতাৰ এক সমতাপূর্ণ সংস্কৰণৰ কথা কৈছিল। সামাজিক চুক্তি তত্ত্ব সম্পর্কে লকৰ দৃষ্টিভংগীৰ পৰা এই কথাটো স্পষ্ট হৈ পৰে যে মানুহে পৰস্পৰৰ সৈতে দুখন চুক্তি সম্পাদিত কৰিছিল। প্রকৃতি ৰাজ্যত মানুহে সন্মুখীন হোৱা অসুবিধাৰ বাবে প্রথম চুক্তিখন সম্পাদিত কৰাৰ প্রয়োজনীয়তা সৃষ্টিহৈছিল আৰু এনেকৈয়ে মানুহ এজন সমাজৰ অধীনত একত্রিত হৈছিল। দ্বিতীয় চুক্তিত আৱদ্ধ হোৱা পক্ষ দুটা আছিল সমাজ আৰু চৰকাৰ। এই চুক্তিৰ অধীনত সমাজখনসুস্থিৰ কৰি তোলাৰ স্বার্থত ব্যক্তিৰ স্বাধীনতাবোৰ উচর্গা কৰা হৈছিল। কেৱল এটা ৰাজনৈতিক সম্প্রদায়তহে এনে কৰাটো সম্ভৱ। দ্বিতীয় চুক্তিৰ অধীনত চৰকাৰে নাগৰিকৰ অধিকাৰবোৰক সুৰক্ষা প্রদান কৰিবলৈ বাধ্য হৈ পৰিছিল। তেতিয়াহে ৰাষ্ট্রই চৰকাৰৰ কর্তৃত্ব মানি চলিছিল। চৰকাৰ এই কার্যত ব্যর্থ হ'লে নাগৰিকে বিদ্রোহ কৰিব পাৰিছিল। এনে বিদ্রোহে কিন্তু সামাজিক চুক্তিখন অর্থহীন কৰি তোলা নাছিল। এনে বিদ্রোহৰ দ্বাৰা কেৱল চৰকাৰখনক শাসন ক্ষমতাৰ পৰা আঁতৰ কৰা হৈছিল।

ওপৰৰ আলোচনাৰ পৰা আমি গম পালোঁ যে লকৰ মতে ৰাষ্ট্রই নাগৰিকৰ প্রাকৃতিক অধিকাৰ সুৰক্ষিত ৰখাৰ কর্তব্য পালন কৰে। ই ৰাষ্ট্রৰ নাগৰিকৰ প্রতি থকা বাধ্যবাধকতা। নাগৰিকৰ

ৰাষ্ট্ৰৰ প্ৰতি এনেধৰণৰ বাধ্যবাধকতা নাথাকে। যদি ৰাষ্ট্ৰই ব্যক্তিৰ অধিকাৰক সুৰক্ষা প্ৰদান আৰু নিশ্চিত কৰাত ব্যৰ্থ হয়, তেন্তে ব্যক্তিয়ে চৰকাৰৰ ক্ষমতা নিজৰ হাতলৈ ঘূৰাই আনিব পাৰে।

৩.৫ সমালোচনা

লকৰ তত্ত্ব ত্ৰুটিহীন নহয়। এই তত্ত্বটোৰ কিছুমান সীমাৱদ্ধতা আছে। তলত সেইবোৰ আলোচনাকৰা হয় ঃ

প্ৰথমতে, সমাজ এক সৰল অনুষ্ঠান নহয়. ইয়াক সহজে ভঙা-গঢ়া কৰিব নোৱাৰি। লকে প্ৰদৰ্শন কৰা কাৰণ বোৰতকৈ সমাজ এখন গঢ়লৈ উঠাৰ আন বহুতো কাৰণ থাকিব পাৰে।

দ্বিতীয়তে, লকৰ মতে ৰাষ্ট্ৰৰ গৰিষ্ঠ সংখ্যক ব্যক্তিৰ হাতত চৰম ক্ষমতা ন্যস্ত থাকে। কিন্তু এইখিনিতে লকে আওকাণ কৰা কথাটো হ'ল এগৰাকী ব্যক্তিক আন এগৰাকী অথবা গৰিষ্ঠ সংখ্যক ব্যক্তিয়েই প্ৰাকৃতিক অধিকাৰবোৰ উপভোগ কৰাৰ পৰা বঞ্চিত কৰিব পাৰে। লকে এই কথাটো উপলব্ধি কৰা নাট যে গৰিষ্ঠ সংখ্যক ব্যক্তিয়েই স্বেচ্ছাচাৰী প্ৰকৃতিৰ হ'ব পাৰে। ইয়াৰ উপৰি লকৰ ৰাষ্ট্ৰ বিষয়ক ধাৰণাটোত নৈতিক কৰ্তৃত্বৰ দিশটো অনুপস্থিত। তেওঁ কেৱল সমাজৰ গৰিষ্ঠ সংখ্যকে সমৰ্থন কৰা প্ৰাকৃতিক অধিকাৰ আৰু প্ৰয়োজনীয়তাবোৰৰ কথাহে আলোচনা কৰিছে। কিন্তু তেওঁৰ ৰাষ্ট্ৰ ধাৰণাত শিক্ষা, নৈতিকতা আৰু ব্যক্তিৰ বিকাশৰ দিশবোৰৰ কোনো উল্লেখ নাই।

গৰিষ্ঠ সংখ্যক নাগৰিকৰ প্ৰয়োজনীয়তা পূৰণ কৰিব নোৱাৰা অথবা ক্ষমতাৰ অপব্যৱহাৰ কৰা চৰকাৰ আঁতৰোৱাৰ ক্ষমতা ৰাষ্ট্ৰক প্ৰদান কৰি লকে ৰাষ্ট্ৰৰসৈতে নেতিবাচক কাৰ্যসম্পাদন সংলগ্ন কৰিছে। এনে বৈশিষ্ট্যপ্ৰধান ৰাষ্ট্ৰত শক্তিশালী লোকে দুৰ্বল শ্ৰেণীৰ লোকক নিয়ন্ত্ৰণ কৰিব।

ব্যক্তিৰমাজত সামাজিক ন্যায়ৰ অভাৱ ঘটিব বুলিও লকৰ তত্ত্বটোক সমালোচনা কৰা হয়। সমাজৰ সংখ্যালঘিষ্ঠসকলৰ কথা নভবাকৈ লকে কেৱল সংখ্যা-গৰিষ্ঠসকলৰ কথাতহে জোৰ দিছে।



অগ্ৰগতি নিৰীক্ষণ

১। লকৰ মতে প্ৰকৃতি ৰাজ্যত মানুহে কেনেদৰে বাস কৰিছিল?
২। পৰৱৰ্তী সময়ত মানুহে কোন দুখন চুক্তিত আৱদ্ধ হৈছিল?
৩। ব্যক্তিয়ে কিয় সমাজ গঠন কৰিছিল?
৪। মানুহে প্ৰকৃতি ৰাজ্যত উপভোগ কৰা সকলোবোৰ অধিকাৰ ৰাষ্ট্ৰৰ হাতত সমৰ্পন কৰেণে?

৫। ৰাজনৈতিক কর্তৃপক্ষৰ কাম কি?
৬। লকৰ সামাজিক চুক্তি তত্ত্বটো কি?
৭। লকে চৰম সার্বভৌমত্বৰ ধাৰণাটো বিশ্বাস কৰেণে?
৮। লকৰ মতে প্ৰকৃতিৰ আইন কি?



৩.৬ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

১। লকৰ মতে প্ৰকৃতি ৰাজ্যত মানুহ মুক্ত আৰু কোনেও মানুহৰ ওপৰত কোনো দমনমূলক বাধা -নিষেধ আৰোপ নকৰে।

- লকৰ মতে সমাজ গঢ় লৈ উঠাৰ আগতে চৰকাৰৰ অস্তিত্ব নাছিল।
- লকে প্ৰকৃতি ৰাজ্যক প্ৰাক্-ৰাজনৈতিক বুলি অভিহিত কৰিছে।
- মানুহে প্ৰকৃতি ৰাজ্যত পোৱা বিভিন্ন অসুবিধআ আঁতৰ কৰিবলৈকে এসময়ত সমাজ গঠন কৰিবলৈ আগবাঢ়ি আহিছিল।
- মানুহে নিজৰ মাজতে দুখন চুক্তি সম্পাদিত কৰিছিল। এখনৰ মতে ব্যক্তিগত সমাজ গঠন কৰা হৈছিল আৰু আনখনৰ মতে একোখন ৰাজনৈতিকসমাজে গঢ়লৈ উঠিছিল।
- মানুহে প্ৰকৃতি ৰাজ্যত উপভোগ কৰা আটাইবোৰ অধিকাৰ ৰাষ্ট্ৰৰ হাতত অৰ্পণ কৰা নাছিল।
- চৰকাৰে নাগৰিকৰ জীৱন, স্বাধীনতা আৰু স্থাৱৰ সম্পত্তিক সুৰক্ষা প্ৰদানৰ নিশ্চিতি দিব পাৰিলেহে ক্ষমতাৰ অধিকাৰী হ'ব।
- ৰাষ্ট্ৰৰ চৰম সার্বভৌমত্বৰ গৰাকীহ'ল নাগৰিক— সকল।
- লকৰ মতে মানুহৰ প্ৰাকৃতিক অধিকাৰ উলংঘা কৰা চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰাৰ আৰু এনে চৰকাৰক অমান্য কৰাৰ অধিকাৰ আছে।
- লকৰ মতে সমাজৰ গৰিষ্ঠসংখ্যক লোকৰ বাবে সমস্যাৰ সৃষ্টি নকৰা সৰু-সুৰা দোষত চৰকাৰক ক্ষমতাৰ পৰা আঁতৰোৱাটো অনুচিত।



৩.৭ অধিক জানিবলৈ

1) Chakravarty, Sibnath (1962), An Introduction to Politics: Modern Book Agency Pvt. Ltd.
2) Paul Sanatan, Das Dhrubajyoti (2016), Western Political Thinkers: Ashok Book Stall.

3) Sanyal Jagadiswar (1994): Guide to Social Philosophy: Sribhumi Publishing House.

৩.৮ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ লকৰ মতে সমাজৰ অস্তিত্ব গঢ় লৈ উঠাৰ আগতে মানুহ মুক্ত আছিল। মানুহৰ ওপৰত কোনো দমনমূলক নিষেধাজ্ঞা আৰোপিত কৰি থোৱা নাছিল। এই অৱস্থাত মানুহে প্ৰাকৃতিক আইন অনুসৰণ কৰিছিল আৰু শান্তিপূৰ্ণভাৱে বসবাস কৰিছিল।

২ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰকৃতি ৰাজ্যৰ অসুবিধাবোৰৰ পৰা মুক্ত হ'বলৈ মানুহে চুক্তি সম্পাদন কৰাৰ সিদ্ধান্তত উপনীত হ'ল। লকৰ মতে মানুহে দুই ধৰণৰ চুক্তি সম্পাদিত কৰিলে—

১। এখন ব্যক্তি সমাজ গঠন কৰিবলৈ মানুহ চুক্তিৱদ্ধ হ'ল

২। এখন চৰকাৰ অথবা এখন ৰাজনৈতিক সমাজ গঠন কৰিবলৈ মানুহ চুক্তিৱদ্ধ হ'ল।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ লকৰ মতে প্ৰকৃতি ৰাজ্যত মানুহ এনে কিছুমান অসুবিধাৰ সন্মুখীন হৈছিল যিবোৰে মানুহক এসময়ত সমাজ গঠন কৰিবলৈ বাধ্য কৰাইছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ নকৰে

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনৈতিক কৰ্তৃত্বই সকলো ব্যক্তিৰে অধিকাৰ সমানভাৱে উপস্থাপিত হৈছ আৰু ৰক্ষা পৰিছেনে নাই তালৈ দৃষ্টি ৰাখিছিল।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰকৃতি ৰাজ্যৰ অসুবিধাবোৰৰ পৰা মুক্ত হ'বলৈ মানুহে চুক্তি সম্পাদন কৰাৰ সিদ্ধান্তত উপনীত হ'ল। লকৰ মতে মানুহে দুই ধৰণৰ চুক্তি সম্পাদিত কৰিলে—

১। এখন ব্যক্তি সমাজ গঠন কৰিবলৈ মানুহ চুক্তিৱদ্ধ হ'ল

২। এখন চৰকাৰ অথবা এখন ৰাজনৈতিক সমাজ গঠন কৰিবলৈ মানুহ চুক্তিৱদ্ধ হ'ল।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ নকৰে

৮ নং প্ৰশ্নৰ উত্তৰ ঃ লকৰ মতে সমাজৰ অস্তিত্ব গঢ় লৈ উঠাৰ আগতে মানুহ মুক্ত আছিল। মানুহৰ ওপৰত কোনো দমনমূলক নিষেধাজ্ঞা আৰোপিত কৰি থোৱা নাছিল। এই অৱস্থাত মানুহে প্ৰাকৃতিক আইন অনুসৰণ কৰিছিল আৰু শান্তিপূৰ্ণভাৱে বসবাস কৰিছিল।

লকৰ মত অনুসৰি প্ৰকৃতিৰ আইন মানে হ'ল ঈশ্বৰে সৃষ্টি কৰা আইন। এই আইনে মানৱ মনৰ সকলোবোৰ দিশৰ যত্ন লৈছিল।



২.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন-

প্ৰশ্ন নং ১ ঃ লকৰ মতে প্ৰকৃতি ৰাজ্যত মানুহ কেনে অৱস্থাত আছিল?

প্ৰশ্ন নং ২ ঃ সামাজিক চুক্তি সম্পৰ্কে লকৰ দৃষ্টিভংগী কি?

প্ৰশ্ন নং ৩ ঃ লকৰ মতে মানুহে নিজৰ সম্পাদন কৰা সামাজিক চুক্তি দুটা কি কি?

প্ৰশ্ন নং ৪ ঃপ্ৰাকৃতিক আইনকি?

প্ৰশ্ন নং ৫ ঃৰাজনৈতিক কৰ্তৃত্বৰ কি কাম?

প্ৰশ্ন নং ৬ ঃ ব্যক্তি কিয় সামাজিক চুক্তিত আৱদ্ধ হৈছিল?

(খ) চুটি প্ৰশ্ন (১০০-১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং ১ ঃ মানৱ প্ৰকৃতি সম্পৰ্কে লকৰ দৃষ্টিভংগী কেনে আছিল তাৰ এটা চমুটোকা লিখক।

প্ৰশ্ন নং ২ ঃ সামাজিক চুক্তি সম্পৰ্কে লকৰ দৃষ্টিভংগী কেনেধৰণৰ আছিল সেইবিষয়ে এটি চমুটোকা লিখক।

প্ৰশ্ন নং ৩ ঃ লকে কোৱা সামাজিক চুক্তি দুটা ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৪ ঃ ব্যক্তিয়ে কিয় সমাজ পাতি বাস কৰিবলৈ লৈছিল তাৰ কাৰণবোৰ চমুকৈ ব্যাখ্যা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০- ৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং ১ ঃ লকৰ মতে সামাজিক চুক্তি তত্ত্বাটো কি? তত্ত্বটোৰ ব্যাখ্যা সন্দোষজনকনে? আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃমানৱ প্ৰকৃতি সম্পৰ্কে লকে কেনেধৰণৰ দৃষ্টিভংগী পোষণ কৰিছিল?

প্ৰশ্ন নং ৩ ঃ সামাজিক চুক্তি বিষয়ত হবচ্ আৰু লকৰ দৃষ্টিভংগীৰ মাজত কেনেধৰমৰ প্ৰভেদ আছে? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৪ ঃমানৱ প্ৰকৃতি সম্পৰ্কে লকে আগবঢ়োৱা দৃষ্টিভংগীটো হবচ্ৰ দৃষ্টিভংগীতকৈকেনেধৰণে পৃথক? চমুকৈ ব্যাখ্যা কৰক।

****